# অসমীয়া (Assamese)

## ২২৮ (228)

## নিৰ্ধাৰণ পত্ৰ (Assignment)

(১নং পাঠৰ পৰা ৩৫ নং পাঠলৈ)

মুঠ নম্বৰ ঃ ২০

নির্দেশাৱলী ঃ ১। প্ৰতিটো প্ৰশ্ন বাধ্যতামূলক । প্ৰতিটো প্ৰশ্নৰ নম্বৰ কাষত দিয়া আছে।

২। উত্তৰ বহীত নিজৰ নাম ৰোলনম্বৰ, অধ্যয়ণ কেন্দ্ৰৰ নাম বিষয় স্পষ্টকৈ লিখিবা।

১। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা।
(৪০ ৰ পৰা ৬০টা শব্দৰ ভিতৰত) ২ × ১ = ২

(ক) কবিয়ে জনমভূমিক কিয় পুণ্যৰ আশ্ৰম বুলি কৈছে - কবিতাটিৰ আলমত বুজাই লিখা।

(খ) "তই মানুহৰ মনৰ ভাৱ কি বুজিবি" - কোনে কাক, কেতিয়া কি প্ৰসঙ্গত কৈছিল - পাঠৰ সহায়ত লিখা।

(গ) "আতি মোহ পাশে চন্ন"ৰ অৰ্থ কি ? 'কাকুতি' বৰগীতটিৰ সহায়ত প্ৰকাশ কৰা।

(ঘ) সকলো সময়তে এক আহ্বান কবিয়ে শুনি আছে । সেই আহ্বান কাৰ ? - 'মোৰদেশ' কবিতাৰ আলমত বিচাৰ কৰা।

২। নিম্ন লিখিত যিকোনো এটি প্ৰশ্নৰ উত্তৰ চমুৱাই লিখা ।
(৪০ ৰ পৰা ৬০টা শব্দৰ ভিতৰত) ২ × ১ = ২

(ক) বাৰিষাৰ দিনৰ বৰযুণ কেনে ধৰণৰ হয় - "ঘুনুচা" গল্পটিৰ সহায়ত বিচাৰ কৰা।

(খ) লেখকৰ মতে "বৈদিক যুগ" আৰু "বৌদ্ধ যুগ"ৰ বিশেষত্ব কি কি পাঠৰ আলমত বিচাৰ কৰা।

(গ) কি কাৰণে এগ্‌নিছ পাৰ্থিৱ সুখৰ প্ৰতি বিমুখ হৈছিল - 'শান্তিৰ দূত মাদাৰ টেৰেছা' - প্ৰৱন্ধটিৰ সহায়ত বৰ্ণনা কৰা।

(ঘ) অসমৰ সংস্কৃতিক যৌগিক সংস্কৃতি বোলাৰ কাৰণ কি ? পাঠৰ সহায়ত প্ৰকাশ কৰা।

৩। তলত উল্লেখ কৰা যিকোনো এটি প্ৰশ্নৰ উত্তৰ চুটিকৈ প্ৰকাশ কৰা ।
(৪০ ৰ পৰা ৬০টা শব্দৰ ভিতৰত) ২ × ১ = ২

(ক) ওজাপালি অনুষ্ঠানত প্ৰধানকৈ কেনে ধৰণৰ বাদ্য ব্যৱহাৰ কৰা হয় - বুজাই লিখা।

(খ) "ৰাজশক্তি আজি বলহীন" - কোনে কাৰ আগত কি প্ৰসঙ্গত কৈছিল - "লুকু ডেকা ফুকনৰ দেশভক্তি" পাঠৰ সহায়ত বিচাৰ কৰা।

(গ) দোলনৰ প্ৰতিহিংসাৰ ভাৱ কিয় নোহোৱা হ'ল - 'প্ৰতিশোধ' গল্পটিৰ আলমত প্ৰকাশ কৰা।

(ঘ) মানৱ অধিকাৰ মানে কি বুজা - নিজৰ ভাষাত বুজাই লিখা।

৪। তলত উল্লেখিত যিকোনো এটা প্ৰশ্নৰ উত্তৰ বহলাই লিখা -
(১০০ ৰ পৰা ১৫০টা শব্দৰ ভিতৰত) ৪ × ১ = ৪

(ক) কবিয়ে কি কাৰণে "দিনটো" জীৱনবৃত্ত বুলি বৰ্ণনা কৰিছে - "জীৱন জেউতি" কবিতাৰ আলমত বুজাই লিখা।

(খ) "মোৰ শেষ - কোঁৱৰ বিদায়" - উক্তিটোৰে বুজাব বিছৰা কথাখিনি "কেতেকী" কবিতাৰ সহায়ত বিশ্লেষণ কৰা ।

(গ) "মোৰ দেশ" কবিতাটোত কবিয়ে নিজৰ দেশখনক কি কাৰণে ভাল বুলি কৈছে আলোচনা কৰা।

(ঘ) "গড়গাওঁ" দেখি মাৰ নাওঁ উভতিব খোজাৰ কাৰণ কি - 'গড়গাওঁ' কবিতাৰ সহায়ত আলোচনা কৰা।

৫। নিম্নলিখিত যিকোনো এটি প্ৰশ্নৰ উত্তৰ বহলাই লিখা (১০০ ৰ পৰা ১৫০ টা শব্দৰ ভিতৰত) ৪ × ১ = ৪

(ক) "নৈৰ সোঁতৰ লগত সময়ক তুলনা কৰা হয় - কথাষাৰ পাঠৰ আলমত বুজাই লিখা -

(খ) গল্পটিৰ নাম কিয় "বতৰটি ফৰকাল" ৰখা হৈছে বুলি ভাৱা - আলোচনা কৰা

(গ) বিভিন্ন দিশত থকা বৈষম্যই আকৌ কেনেকৈ ঐক্য আনিব পাৰে -- "ভাৰতৰ বৈচিত্ৰৰ মাজত ঐক্য" পাঠৰ সহায়ত আলোচনা কৰা-

(ঘ) অসমৰ বানপানী সমস্যা সমাধানৰ অন্য কিবা উপায় তুমি জনাত আছেনে? - বিশ্লেষণ কৰা।

৬। তলত উল্লেখ কৰা যিকোনো এটি বিষয়ৰ সম্পৰ্কত এখনি আঁচনি (Project) যুগুত কৰা। ৬ × ১ = ৬

(ক) তোমাৰ প্ৰিয় সাহিত্যিক

(আৰম্ভণি - জন্ম, শিক্ষা আৰু কৰ্মজীৱন - সাহিত্য ৰাজিৰ পৰিচয় - প্ৰিয় হোৱাৰ কাৰণ- সামৰণি)

(খ) মাদক দ্ৰব্য আৰু সমাজত ইয়াৰ কু-প্ৰভাৱ ।

(আৰম্ভণি-মাদকদ্ৰব্যৰ বিভিন্ন প্ৰকাৰ আৰু ইয়াৰ ব্যৱহাৰ - মাক দ্ৰব্য সেৱণৰ ফলত হোৱা অপকাৰ - মাদকদ্ৰব্য ব্যৱহাৰ আৰু সমাজত ইয়াৰ প্ৰতিক্ৰিয়া - সামৰণি)

(গ) ছ'চিয়েল মিডিয়া আৰু সমাজত ইয়াৰ প্ৰভাৱ ।

(আৰম্ভণি - ছ'চিয়েল ডিডিয়া কি - ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ - জনপ্ৰিয়তাৰ মূল কাৰণ সমূহ - নেতিবাচক দিশ - সামৰণি)

(ঘ) আধুনিক সমাজৰ ব্যাধি ঃ অনুশাসনহীনতা ।

(আৰম্ভণি - অনুশাসন হীনতাৰ উৎস- যুৱ উচ্ছৃংখলতা - কৰ্মহীনতা আৰু অনুশাসনতা- মূল্যবোধৰ অৱক্ষয় - সামৰণি)

ooooooooo